আমাৰ লগত
থাকক প্ৰতিদিনে
শিকক

# ইছলামৰ দৃষ্টিত বেমাৰ বা মহামাৰী সংক্ৰামকনে ?

ألهم ارزقنا زيارة حرمك و حرم نبيك محمد صلى
الله عليه وسلم

Scanned with CamScanner

# ইছলামৰ দৃষ্টিত বেমাৰ বা মহামাৰী

◆ইছলামৰ দৃষ্টিত বেমাৰ বা মহামাৰী সংক্ৰমণ হয় নেকি যদি নহয় তেনেহলে কৰ'ণা ভাইৰাছ কেনেকৈ এজনৰ পৰা আন এজনলৈ বিয়পিছে ?

## ❀ আল্লাহৰ নবীয়ে ﷺ কৈছে: "لَا عَدْوَى وَلَا صَفَرَ وَلَا هَامَةَ"

অৰ্থাৎ বেমাৰ সংক্ৰমণ নহয়। ছফৰ অমংগল নহয়। ফেঁচা অমংগল নহয়(এনেকৈ কোৱাৰ পিছত)এজন গাঁৱৰ চাহাবীয়ে আল্লাহৰ নবীক ﷺ সুধিলে :ইয়া ৰছুলুল্লাহ! ﷺ তেনেহলে কি কাৰণ যে মোৰ উট মাটিত হৰিণাৰ দৰে(সুস্থ সবল,সক্ৰিয়তা) হোৱাৰ পাছতো এটা খজুৱতি থকা উট তাৰ ওচৰত অহাৰ পিছত সেইটোকো(মোৰ উটটোক)খজুৱতিৱালা কৰি দিয়ে ? তেতিয়া আল্লাহৰ নবীয়েﷺ কৈছে: আগৰটোক কৰ পৰা খজুৱতি হৈছে?

(بخاری ج٤-ص٣٦-رقم الحديث٥٧١٨)

## ❀ বেমাৰ সংক্ৰমণ হোৱাৰ অৰ্থ?

উল্লেখিত হাদিছৰ বাক্য "আল আদৱা" (العدوى) শব্দৰ অৰ্থ হৈছে ৰোগ এজন ব্যক্তিৰ পৰা আন এজনলৈ সংক্ৰমণ কৰা(বিয়পি যোৱা)।

আৰু হাদিছ শ্বৰীফত আহিছে "لا عدوى" ""অৰ্থাৎ বোমাৰ সংক্ৰমণ নহয়,এজনৰ পৰা আন এজনলৈ বিয়পি নাযায় (transfer নহয়)

(التوقيف على مهمات التعارف، ص٢٣٨)

## ❀ তেনেহলে কৰ'না ভাইৰাছ কিদৰে সংক্ৰমণ হৈছে ?

**❀ বোমাৰ বা মহামাৰী সংক্ৰমণ হোৱাৰ বিষয়ে ইছলামৰ দৃষ্টিভঙ্গী**

১)এজনৰ বেমাৰ আন এজনলৈ বিয়পি যোৱা(transfer হোৱাতো)বা কোনো বেমাৰীৰ পৰা বেমাৰ সংক্ৰমণ হোৱাটো একেবাৰে ভুল কথা। ইছলাম প্ৰচাৰ হোৱাৰ আগত অৰ্থাৎ অজ্ঞ যুগত মানুহে এইটো বিশ্বাস ৰাখিছিল যে বোমাৰ নিজে বিয়পি যাব পাৰে।

('The Sick itself is contagious)

আল্লাহৰ নবী ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে এই ধাৰণাক সম্পূৰ্ণভাৱে ভুল স্বীকৃতি দি কৈছে- "لاعدوى "অৰ্থাৎ বেমাৰ বা মহামাৰী সংক্ৰমণ নহয়। এজনৰ পৰা আন এজনলৈ নিবিয়পে।সেই কাৰণে আল্লাহৰ নবীয়ে এজন কুষ্ঠৰোগীৰ (leprosy)লগত বহি আহাৰ গ্ৰহণ কৰিছিল যাতে মানুহ জ্ঞাত হয় যে বেমাৰ-আজাৰ সংক্ৰমণ নহয়।

২)বীজাণু(germs,microbes)সংক্ৰমণ অৰ্থাৎ বেমাৰৰ বীজাণু উৰিগৈ অন্য ব্যক্তিৰ শৰীৰত লাগিব পাৰে যাৰ ফলত উক্ত ব্যক্তিজন সেই বেমাৰ বা মহামাৰীত আক্ৰান্ত হব পাৰে। বীজাণু নিজে এটা ৰোগ বা মহামাৰী নহয়।

Scanned with CamScanner

# ইছলামৰ দৃষ্টিত বেমাৰ বা মহামাৰী

'The germ itself is not sick', যেনে covid-19 হ'ল মূল বেমাৰ আৰু তাৰ ভাইৰাছ হল corona গতিকে এই ভাইৰাছ সংক্ৰমিত হ'ব পাৰে যাৰ ফলত উক্ত ব্যক্তিজন ৰোগাক্ৰান্ত হব পাৰে। এই কথা ইছলাম সন্মত।

❀ ভাইৰাছ আল্লাহৰ এটা বহু পৰিমাণে ক্ষুদ্ৰ তথা সৰু উদ্ভৱকৰ(মখলোক)হয়,যাক একমাত্ৰ অনুবীক্ষণ বা ultra microscope ৰ দ্বাৰাহে চাব পাৰি আৰু এই বীজাণু বেমাৰৰ কাৰণ (cause)বনে। প্ৰাচীন কালৰ লোকসকলৰ এই বীজাণুৰ প্ৰতি কোনো ধৰণৰ জ্ঞান নথকাৰ ফলত এই বিশ্বাস গভীৰভাৱে ৰাখিছিল যে বোমাৰ সংক্ৰামক(Contagious),বেমাৰ সংস্পৰ্শ সঞ্চিত,স্পৰ্শৰ ফলত বিয়পে বা হয়।

❀ ইছলামে বেমাৰ সংক্ৰমণ নহয় বুলি কোৱাত এইটো কেতিয়াও নুবুজায় যে বীজাণু সংক্ৰমণ নহয়। বীজাণু সংক্ৰমণ হোৱাটো ইছলাম বিৰোধী বা হাদিছ বিৰোধী কেতিয়াও নহয় অথচ বীজাণু সংক্ৰমণ হয় যাৰ ফলত উক্ত ব্যক্তিজন ৰোগাক্ৰান্ত হৈ পৰে। "ফতহুল বাৰীত আছে " বেমাৰ বা মহামাৰী সংক্ৰমণ নহয় বুলি কোৱাৰ অৰ্থ হৈছে বেমাৰ নিজে উৰিগৈ বেলেগৰ শৰীৰত নপৰে।

ইছলাম প্ৰচাৰ হোৱাৰ আগত মানুহে এইটো বিশ্বাস ৰাখিছিল যে বোমাৰ নিজে বিয়পিব বা transfer হৈ যাব পাৰে। আৰু আল্লাহৰ হুকুম অনুসৰি হোৱাৰ অমান্যকাৰী আছিল। যথা আল্লাহৰ নবী ছাল্লাল্লাহু আলাইহি ৱাছাল্লামে এই ভুল বিশ্বাসকাৰীবোৰক উত্তৰ দি কুষ্ঠৰোগীৰ লগত খাদ্য গ্ৰহণ কৰিছিল যাতে সিহঁতে বুজি পায় যে বেমাৰ-আজাৰ আৰু তাৰ পৰা সুস্থতা ও সবলতা একমাত্ৰ আল্লাহেই দিয়ে।

(فتح الباري لابن حجر ج١١- ص١٣٦- رقم الحديث ٥٧٠٧)

❀ "মিৰআতুল মানাযিহ"ত আছে আৰৱ বাসিৰ এই বিশ্বাস আছিল যে বেমাৰ বা মহামাৰীৰ ক্ষমতা,স্মৃতিশক্তি,অনুভূতি ও চেতনা আছে,যি ব্যক্তি ৰোগাক্ৰান্ত ব্যক্তিৰ লগত বহিব সেইজনকো এই বেমাৰে ধৰিব বা transfer হৈ যাব। বৰ্তমানৰ ডাক্তৰসকলে কেইটামান বেমাৰ সংক্ৰমণ হয় বুলি কৈছে যেনে কুষ্ঠৰোগ(leprosy),খজুৱতি (itching),বসন্ত ৰোগ (smallpox),মুখ ৰা কাষলতিৰ(কাইতলিৰ)গোন্ধ মহামাৰী ইত্যদি। উপৰোক্ত হাদিছ শ্বৰীফে এইবোৰ ভুল ধাৰণাক একেবাৰে ভুল বুলি কৈছে। ইছলামৰ দৃষ্টিত ও উল্লেখিত হাদিছ অনুসৰি বেমাৰ বা মহামাৰী সংক্ৰমণ হোৱাটো মিছা। কিন্তু কোনো বেমাৰীৰ পৰা গুজৰি যোৱা বায়ুৰ লগত সেই বেমাৰৰ বীজাণু মিহলি হৈ অন্যৰ শৰীৰত

Scanned with CamScanner

# ইছলামৰ দৃষ্টিত বেমাৰ বা মহামাৰী

লাগিব পাৰে,যাৰ ফলত সেই ব্যক্তিজনো মহামাৰী বা ৰোগৰ স্বীকাৰ হব পাৰে। এইটো দিশত বেমাৰ সংক্ৰমণ হ'ব পাৰে সেই বাবে আল্লাহৰ নবীয়ে চৰ্মৰোগীৰ পৰা দূৰত থাকিব হুকুম দিছে

(مـــرآۃ المناجیح ج۲،ص۲۵۶)

আল্লাহে আমালোকৰ নিশ্চিত ৰূপত অদৃশ্য ৰূপে সহায় কৰক-আমিন বি জাহিন্নাবিয়্যিল আমিন ছাল্লাল্লাহু আলাইহি ৱাছাল্লাম।

اٰمِیْن بِجَاہِ النَّبِیِّ الْاَمِیْن صَلَّی اللّٰـــہ تعــالٰی علیـــہ واٰلہٖ وسَلَّم

واللـــــــہ اعــــــلم بالصــــواب
ইঞ্জামুল হক,দৰং,অসম

إن ترد الأصل فارجع إلي

+918638731917 Inzamul_78

Scanned with CamScanner